# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 11-11-2024
**Time :** 18-00 Hrs

***Assamese Evening Bulletin***
**::::::::::::::::::::::::::::::::::::::**

অসমৰ পাঁচটা বিধানসভা সমষ্টিৰ পৰহিলৈ হ'বলগীয়া উপ-নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি কিছুসময় পূৰ্বে সামৰণি পৰিছে। নিৰ্বাচনী প্ৰচাৰৰ আজি অন্তিম দিনটোত শেষবাৰৰ বাবে ভোটদাতাৰ মন আকৰ্ষণ কৰিবলৈ সৰ্বাত্মক প্ৰচেষ্টা চলাই আৰু প্ৰচাৰ অভিযানৰ উত্তাপ যথেষ্ট বৃদ্ধি পোৱা পৰিলক্ষিত হয়।

মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে বঙাইগাঁও সমষ্টিত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী দিপ্তীময়ী চৌধুৰীৰ সমৰ্থনত মহিলা মৰ্চাই উলিওৱা শোভাযাত্ৰা আনুষ্ঠানিকভাৱে মুকলি কৰে। মন্ত্ৰী অতুল বৰাৰ লগতে ভালেসংখ্যক বিজেপি আৰু অগপৰ কৰ্মীয়ে এই নিৰ্বাচনী সমদলত অংশ লয়। লগতে মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে সমষ্টিটোৰ বিভিন্ন ব্যৱসায়ীৰ সৈতে মত বিনিময় কৰি অন্তিমবাৰৰ বাবে নিৰ্বাচনী প্ৰচাৰ চলায়।

মন্ত্ৰী বিমল বৰাই চামগুৰি সমষ্টিত বিজেপি প্ৰাৰ্থী দিপ্লু ৰঞ্জন শৰ্মাৰ সমৰ্থনত নিৰ্বাচনী সমদলত অংশ লয়। মন্ত্ৰী পীযুষ হাজৰিকাই বিহালী সমষ্টিত বিজেপিৰ প্ৰাৰ্থী দিগন্ত ঘাটোৱালৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই বিজেপি প্ৰাৰ্থী নিহাৰ ৰঞ্জন দাসৰ হৈ আইৰংমাৰাত অনুষ্ঠিত হোৱা পদযাত্ৰাত অংশগ্ৰহণ কৰে। ইপিনে, সাংসদ ৰকিবুল হুছেইনে চামগুৰি সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থী তানজিন হুছেইনৰ হৈ শেষবাৰৰ বাবে প্ৰচাৰত অংশ লয়। ইয়াৰ লগতে ভালেসংখ্যক দলীয় সমৰ্থকক লৈ প্ৰাৰ্থীগৰাকীৰ সমৰ্থনত সমদল উলিওৱা হয়। ধলাই সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থী ধ্ৰুৱজ্যোতি পুৰকায়স্থৰ হৈ কংগ্ৰেছ কৰ্মকৰ্তাসকলে শোভাযাত্ৰা উলিয়াই। ইপিনে নিৰ্দলীয় প্ৰাৰ্থীসকলেও সমষ্টিৰ ভিন্ন প্ৰান্তত ভোটদাতাসকলৰ পৰা শেষবাৰৰ বাবে ভোট বিচাৰি প্ৰচাৰ চলায়। নিৰ্বাচনী প্ৰস্তুতি সন্দৰ্ভত কৰিমগঞ্জৰ সংবাদদাতা জাকাৰিয়া ৰহমানে এইদৰে কয়-

*(বাইট)*

এই উপ-নিৰ্বাচনত ৩৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। এন ডি এ, কংগ্ৰেছ আৰু বিপিএফৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতাই নিৰ্বাচন হ'বলগীয়া অঞ্চলসমূহত ভোটদাতাক আকৰ্ষণ কৰিবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিছে। ধলাই আসনৰ বাবে ৮ গৰাকী, চামগুৰিৰ বাবে ১১ গৰাকী আৰু চিদলী আসনখনৰ বাবে ৩ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। আনহাতে, বিহালী আসনখনৰ বাবে ৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰাৰ বিপৰীতে বঙাইগাঁও আসনৰ বাবে ৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ১০ লাখতকৈও অধিক ভোটদাতাই এই প্ৰাৰ্থীসকলৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। কংগ্ৰেছ আৰু এন ডি এ-য়ে আটাইকেইখন আসনৰ বাবে প্ৰাৰ্থী প্ৰক্ষেপ কৰিছে। এন ডি এ মিত্ৰজোঁটৰ ভিতৰত বিজেপিয়ে ৩ খন আসনৰ বাবে প্ৰাৰ্থী প্ৰক্ষেপ কৰাৰ বিপৰীতে অসম গণ পৰিষদ আৰু ইউ পি পি এলে আন দুখন আসনৰ বাবে প্ৰাৰ্থী প্ৰক্ষেপ কৰিছে।

ইফালে, ঝাৰখণ্ডত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰো আজি বিয়লি সামৰণি পৰে। পৰহিলৈ ৰাজ্যখনৰ ৪৩টা বিধানসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

ৰাজ্যৰ পাঁচটা সমষ্টিত সুকলমে আৰু শান্তিপূৰ্ণভাৱে নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ জিলা প্ৰশাসনসমূহে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। নগাঁও জিলা আয়ুক্তই চামগুৰি বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি কেইবাটাও নীতি-নিৰ্দেশনা জাৰি কৰিছে। সমষ্টিটোত আজিৰ পৰা ১৩ নৱেম্বৰৰ বিয়লি পাঁচ বজালৈ এখন জাননী যোগে সুৰা নিষিদ্ধ কৰা হৈছে। তদুপৰি ২৩ নৱেম্বৰত ভোট গণনাৰ দিন ধাৰ্য্য কৰাৰ বাবে সেইদিনাও সমষ্টিটোত সুৰা নিষিদ্ধ ঘোষণা কৰা হৈছে।

০০০

অসমৰ ছটা জনগোষ্ঠীৰ জনজাতিকৰণ প্ৰক্ৰিয়া সন্দৰ্ভত কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰী জুৱেল ওৰামৰ মন্তব্যৰ প্ৰতিবাদত মৰাণ ছাত্ৰ সন্থা, মটক যুৱ ছাত্ৰ সন্মিলনে আজি আহ্বান দিয়া ১২ ঘণ্টীয়া তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলা বন্ধৰ আজি বিয়লি ৫ বজাত সামৰণি পৰে। তিনিচুকীয়া জিলাত এই বন্ধৰ ব্যাপক প্ৰভাৱ পৰে যদিও ডিব্ৰুগড় জিলাত এই বন্ধৰ আহ্বানে আংশিক সঁহাৰিহে লাভ কৰে। আকাশবাণীৰ সংবাদদাতাই জনোৱা মতে, জিলা সদৰ তিনিচুকীয়া নগৰকে ধৰি জিলাখনৰ বিভিন্ন ঠাইত আজি পথত বাহনৰ চলাচল কম হয় আৰু দোকান-বজাৰ বন্ধ হৈ পৰে। অৱশ্যে চৰকাৰী কাৰ্যালয়, বেংক আৰু জৰুৰীকালীন সেৱাসমূহ স্বাভাৱিকভাৱে চলি থাকে। তিনিচুকীয়া জিলা প্ৰশাসনে এই বন্ধৰ পৰিপ্ৰেক্ষিতত জিলাখনত ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ ধাৰাৰ অধীনত অকৰ্তৃত্বশীলভাৱে বন্ধৰ আহ্বান জনোৱা, পথ অৱৰোধ কৰাকে ধৰি নাগৰিকৰ দৈনন্দিন কামত বাধা আৰোপ কৰা আদি সম্পূৰ্ণ নিষিদ্ধ কৰিছিল যদিও বন্ধৰ সমৰ্থকসকলে নিষেধাজ্ঞা অমান্য কৰি পথ অৱৰোধ কৰিবলৈ চেষ্টা চলায়। অৱশ্যে আৰক্ষী বাহিনীয়ে অৱৰোধকাৰীসকলক খেদি পঠিয়ায়।

০০০

শিৱসাগৰৰ নগৰৰ ষ্টেছন চাৰিআলীৰ টাই আহোম সাংস্কৃতিক বিকাশ কেন্দ্ৰৰ খেলপথাৰত আজি ৰাইজৰ দলৰ সদস্যভৰ্তি কাৰ্যসূচী অনুষ্ঠিত হয়। ৰাইজৰ দলৰ সভাপতি অখিল গগৈৰ উপস্থিতিত আজি বিভিন্ন দল সংগঠনৰ ৫০০ ৰো অধিক নেতাকৰ্মীয়ে দলটোত যোগদান কৰে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০

সমাপ্ত